# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-12-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - -**

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশস্বৰূপে কেইবাখনো জিলাত বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীৰ লগতে কেইবাখনো আঁচনিৰ সাহায্য তথা অনুদান বিতৰণ কৰা হয়। মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাত উপস্থিত থাকি অসম মাইক্ৰ’ফাইনেন্স উদগণি আৰু সকাহ আঁচনিৰ অধীনত তৃতীয় বৰ্গৰ ৫ হাজাৰ ১১৯ গৰাকী ঋণগ্ৰস্তক ঋণ ৰেহাই প্ৰমাণ পত্ৰ বিতৰণ কৰে। একেটা অনুষ্ঠানতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগ আঁচনিৰ অধীনত ১৮৯ গৰাকীলৈ মূলধনী বিনিয়োগৰ ৰাজ সাহায্য প্ৰদান কৰে। মুখ্য মন্ত্ৰীগৰাকীয়ে দুৰ্যোগত ক্ষতিগ্ৰস্ত ২ হেজাৰ ১১ টা পৰিয়াললৈ আৰ্থিক সাহায্য প্ৰদান কৰে। গোলাঘাটৰ সাহায্য বিতৰণী অনুষ্ঠানৰ লগতে এখন জনসভাত ভাগ লৈ মুখ্য মন্ত্ৰী শৰ্মাই পূৰ্বৰ চৰকাৰৰ নিযুক্তিৰ বিপৰীতে এতিয়া চৰকাৰৰ দিনত অসম লোকসভা আয়োগৰ পৰীক্ষা আৰু অন্যান্য নিযুক্তিসমূহ সম্পূৰ্ণৰূপে স্বচ্ছ আৰু নিকা হোৱা বুলি মন্তব্য কৰে।

০০০০০

ৰাজ্য  চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত কাইলৈ নতুন বিধানসভা সমষ্টি ভিত্তিত আনুষ্ঠানিকভাৱে নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কামৰূপ মহানগৰৰ দুটা বিধানসভা সমষ্টিৰ বাবে সৰুসজাই ষ্টেডিয়ামত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী কৌশিক ৰায় উপস্থিত থাকিব। খাদ্য সুৰক্ষা নিশ্চিতকৰণৰ লক্ষ্যৰে প্ৰদান কৰা এই নতুন ৰেচন কাৰ্ডসমূহৰ জৰিয়তে জনসাধাৰণে বিভিন্ন ধৰণৰ সুবিধা লাভ কৰিব। সেই অনুসৰি অন্ত্যোদয়া অন্ন যোজনাৰ ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৩৫ কিলোগ্ৰামকৈ আৰু প্ৰতিটো অগ্ৰাধিকাৰপ্ৰাপ্ত ৰেচন কাৰ্ড থকা পৰিয়ালৰ প্ৰতিগৰাকী সদস্যই মাহিলি ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল লাভ কৰিব। একেদৰে বৰ্তমান ৰন্ধন গেছৰ সংযোগ নথকা ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়ালে প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ লাভ কৰিব। তদুপৰি এনে সুবিধাপ্ৰাপ্ত লোকসকলে প্ৰধানমন্ত্ৰী জনআৰোগ্য যোজনা আৰু আয়ুষ্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত বছৰি ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱাৰ সুবিধা লাভ কৰিব।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ব্ৰীছেবনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন খেলৰ আজি প্ৰথমদিনৰ খেল বৰষুণৰ বাবে বিঘ্নিত হয়। আজি প্ৰথমদিনা ১৩ অভাৰ আৰু দুটা বল খেলা অৱস্থাত বৰষুণ অহাত খেল স্থগিত ৰখা হয়। আম্পায়ৰদ্বয়ে ভোজন বিৰতিৰ পাছত খেলপথাৰ নিৰীক্ষণ কৰি আজিৰ দিনটোৰ খেল স্থগিত ঘোষণা কৰে। সেই সময়ত অষ্ট্ৰেলিয়াই এটাও উইকেট নেহেৰুৱাকৈ ২৮ ৰান সংগ্ৰহ কৰিছিল।

অষ্ট্ৰেলিয়াৰ অপেনাৰদ্বয় ওছমান খৱাজাই ১৯ ৰাণ আৰু নাথান মেকছুইনীয়ে ৪ ৰাণ কৰি বেট ধৰি আছিল। কাইলৈ দ্বিতীয় দিনৰ খেল নিৰ্ধাৰিত সময়ৰ আধা ঘণ্টা পূৰ্বে আৰম্ভ হ'ব।

ooooo

লোকসভাত অহা সোমবাৰে **এক দেশ , এক নিৰ্বাচন** সন্দৰ্ভত দুখন বিধেয়ক উত্থাপন কৰা হ'ব। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সংবিধান (১২৯ সংখ্যক সংশোধনী) বিধেয়ক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন (সংশোধনী) বিধেয়ক নিম্ন সদনত উত্থাপন কৰিব।

শেহতীয়াকৈ, চৰকাৰে সমগ্ৰ দেশতে একে সময়তে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে **এক দেশ এক নিৰ্বাচন** ব্যৱস্থা সন্দৰ্ভত বিচাৰ বিবেচনাৰ বাবে গঠন হোৱা উচ্চ পৰ্যায়ৰ সমিতিৰ প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠন হোৱা এই উচ্চ পৰ্যায়ৰ সমিতিখনে ৰাজনৈতিক দলৰ নেতা আৰু বিশেষজ্ঞসকলকে ধৰি অন্যান্য অংশীদাৰীসকলৰ সৈতে এই সন্দৰ্ভত বৃস্তিতভাৱে আলোচনা কৰে। **এক দেশ এক নিৰ্বাচন** ব্যৱস্থা দুটা পৰ্যায়ত ৰূপায়ণ কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত হোৱাৰ বিপৰীতে পঞ্চায়ত আৰু পৌৰসভাৰ দৰে স্থানীয় নিকায়সমূহৰ নিৰ্বাচন সাধাৰণ নিৰ্বাচনৰ ১০০ দিনৰ ভিতৰত অনুষ্ঠিত হ'ব।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৰেই সপ্তাহজোৰা কাৰ্যসূচীৰে যোৱা ৮ ডিচেম্বৰৰ পৰা পালন কৰা **ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস**ৰ আজি সামৰণি পৰে। শক্তিৰ গুৰুত্ব আৰু ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি কালি উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মুখ্য কাৰ্যালয়ৰ চৌহদৰ সমীপত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। এই কাৰ্যসূচীৰ অধীনত বিগত সপ্তাহটোত উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ বিভিন্ন স্থানত শক্তি অপচয় প্ৰতিৰোধৰ বাবে বেনাৰ আৰু শ্লʼগানেৰে পদযাত্ৰা উলিওৱাৰ লগতে উন্নত দৃশ্যমানতা সম্পন্ন ৰে'লৰে চৌহদসমূহত পোষ্টাৰ লগোৱা হয়।

ooooo

অসম নাট্য সন্মিলনৰ উদ্যোগত আৰু সন্মিলনৰ নগাঁও জিলা সমিতিৰ সহযোগত কালিৰে পৰা তিনিদিনীয়াকৈ কেন্দ্ৰীয় শিশু নাট সমাৰোহ অনুষ্ঠিত হৈছে। নগাঁও জিলা পুথিভঁৰালত আয়োজিত এই নাট সমাৰোহত ৰাজ্যৰ বিভিন্ন জিলাৰ ২০টা শিশু নাট্য দলে অংশগ্ৰহণ কৰিছে। আজিৰ অনুষ্ঠানত জিলাখনৰ অগ্ৰণী শিক্ষানুষ্ঠান নৱৰূপ জাতীয় বিদ্যাপীঠৰ কণকণ শিক্ষাৰ্থীসকলে **কুৰুক্ষেত্ৰত খেলিমেলি** শীৰ্ষক এখনী শিশু নাট মঞ্চস্থ কৰে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত শ্ৰোতাসকলৰ বাতৰি সম্পৰ্কীয় মতামত, অভিযোগ আৰু পৰামৰ্শ বিষয়ক এটি অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটিত Whatsapp নম্বৰ ৯৮৬৪০-৫৫৫৬৬ যোগে লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ লগতে অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত দিয়া অভিমত, প্ৰশ্ন আৰু উত্তৰ আদি প্ৰচাৰ কৰা হ'ব।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ব্ৰীছেবনত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন খেলৰ আজি প্ৰথমদিনৰ খেল বৰষুণৰ বাবে বিঘ্নিত হয়। আজি প্ৰথমদিনা ১৩ অভাৰ আৰু দুটা বল খেলা অৱস্থাত বৰষুণ অহাত খেল স্থগিত ৰখা হয়। আম্পায়ৰদ্বয়ে ভোজন বিৰতিৰ পাছত খেলপথাৰ নিৰীক্ষণ কৰি আজিৰ দিনটোৰ খেল স্থগিত ঘোষণা কৰে। সেই সময়ত অষ্ট্ৰেলিয়াই এটাও উইকেট নেহেৰুৱাকৈ ২৮ ৰান সংগ্ৰহ কৰিছিল। অষ্ট্ৰেলিয়াৰ অপেনাৰদ্বয় ওছমান খৱাজাই ১৯ ৰাণ আৰু নাথান মেকছুইনীয়ে ৪ ৰাণ কৰি বেট ধৰি আছিল। কাইলৈ দ্বিতীয় দিনৰ খেল নিৰ্ধাৰিত সময়ৰ আধা ঘণ্টা পূৰ্বে আৰম্ভ হ'ব।

ooooo

সমাপ্ত